NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০০০

১। চৰকাৰে মাইক্ৰ'চফ্‌ট চফ্‌টৱেৰত হোৱা খেলিমেলি সন্দৰ্ভত মাইক্ৰ'চফ্‌ট আৰু ইয়াৰ সহযোগী কোম্পানীসমূহৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। মাইক্ৰ'চফ্‌ট চফ্‌টৱেৰত হোৱা খেলিমেলিৰ বাবে সমগ্ৰ বিশ্বৰ লাখ লাখ লোক প্ৰভাৱিত হৈছে।

২। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে কৈছে যে, চৰকাৰে দেশত প্ৰসৱকালীন মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ হকে কাম কৰি আছে।

৩। অহা চেপ্তেম্বৰত ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে উপ নিৰ্বাচন হোৱাৰ সম্ভাৱনা আছে।

৪। পুণে আৰক্ষীয়ে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিতৰ্কিত বিষয়া পূজা খেডকৰৰ ভাষ্য লিপিৱদ্ধ কৰাৰ বাবে দ্বিতীয়খন জাননী জাৰি কৰি বিষয়াগৰাকীক ২০ জুলাইত উপস্থিত হ'বলৈ কৈছে।

*আৰু*

৫। ভাৰত মহিলাৰ এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০০০০

চৰকাৰে মাইক্ৰ'চফ্‌ট চফ্‌টৱেৰত হোৱা খেলিমেলি সন্দৰ্ভত মাইক্ৰ'চফ্‌ট আৰু ইয়াৰ সহযোগী কোম্পানীসমূহৰ সৈতে যোগাযোগ ৰক্ষা কৰি আছে। কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সামাজিক মাধ্যমযোগে কৈছে যে, এই খেলিমেলিৰ কাৰণ চিনাক্ত কৰা হৈছে আৰু সমস্যা সমাধানৰ বাবে আপডেট জাৰি কৰা হৈছে। ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ নেটৱৰ্ক প্ৰভাৱিত হোৱা নাই বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। ইপিনে, ভাৰতীয় কম্পিউটাৰ জৰুৰীকালীন সঁহাৰি দলে এই সমস্যা সন্দৰ্ভত পৰামৰ্শ জাৰি কৰিছে। এই পৰামৰ্শাৱলীত ক্লাউড ষ্ট্ৰাইক এজেণ্ট ফাল্কন চেঞ্চৰ সম্পৰ্কীয় উইণ্ড'জৰ শেহতীয়া আপডেটৰ বাবে সমস্যাৰ সৃষ্টি হোৱা বুলি আৰু সম্পূৰ্ণৰূপে বিকল হোৱা বুলি উল্লেখ কৰা হৈছে। ক্লাউড ষ্ট্ৰাইকৰ শেহতীয়া আপডেটৰ বাবেই এই সমস্যাৰ সৃষ্টি হৈছে আৰু ক্লাউড ষ্ট্ৰাইক দলে এই সাল-সলনি বাতিল কৰি পূৰ্বৰ অৱস্থালৈ লৈ গৈছে।

ইফালে, অসামৰিক বিমান পৰিবহণ ৰাজ্য মন্ত্ৰী মুৰলীধৰ মোহোলে মাইক্ৰ'চফ্‌টৰ খেলিমেলি সন্দৰ্ভত কৈছে যে, কোম্পানীটোৰ ক্লাউড সেৱা বন্ধ হোৱাৰ বাবে সমগ্ৰ বিশ্ব সমস্যাৰ সন্মুখীন হৈছে। তেওঁ কয় যে, ইয়াৰ বাবে ভাৰততো বিমান সেৱা ব্যাহত হৈছে। তেওঁ কয় যে, অসামৰিক বিমান পৰিবহণ সঞ্চালকালয় আৰু অসামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে পৰিস্থিতি নিৰীক্ষণ কৰি আছে।

মাইক্ৰ'চফ্‌ট চফ্‌টৱেৰত হোৱা খেলিমেলিৰ বাবে সমগ্ৰ বিশ্বৰ লাখ লাখ লোক প্ৰভাৱিত হৈছে। ইয়াৰ ফলত ব্যৱসায়ী, বেংকিং সেৱা আৰু আন্তঃৰাষ্ট্ৰীয় বিমান পৰিবহণ সংস্থাৰ আই টি নেটৱৰ্কত ব্যাঘাত জন্মিছে।

ভাৰতত ইণ্ডিগ', অকাছা আৰু স্পাইচ জেড এয়াৰলাইনছত চেক ইন ব্যৱস্থা বন্ধ হৈছে। মুম্বাই বিমান বন্দৰত ইয়াৰ সৰ্বাধিক প্ৰভাৱ পৰিলক্ষিত হোৱাৰ বিপৰীতে দিল্লী বিমান বন্দৰত আটাইতকৈ কম প্ৰভাৱ পৰা দেখা গৈছে। বিশ্বৰ কেইবাটাও বিমান পৰিবহণ প্ৰতিষ্ঠানে পুৱাৰ পৰা চেক ইন ব্যৱস্থা ব্যাহত হোৱা বুলি প্ৰকাশ কৰিছে। এই সমস্যাৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰত কেইবাখনো বিমানৰ উৰণ বাতিল কৰিবলগীয়া হয়।

000000000

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী অনুপ্ৰিয়া পেটেলে কৈছে যে, চৰকাৰে দেশত প্ৰসৱকালীন মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ হকে কাম কৰি আছে। দেশত সুস্থিৰ জনসংখ্যা সুনিশ্চিত কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ ফলপ্ৰসূ হৈছে বুলিও শ্ৰীপেটেলে লগতে কয়। ইয়াৰ ফলস্বৰূপে ২০৩০ চনৰ পূৰ্বে দেশত প্ৰসৱকালীন মৃত্যু প্ৰতি ১ লাখৰ ভিতৰত ৭০ গৰাকীৰ তললৈ অনাৰ বহনক্ষম বিকাশৰ লক্ষ্যত উপনীত হোৱাটো নিশ্চিত হোৱা বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয় যে, দেশৰ প্ৰতি গৰাকী মহিলা নাগৰিকৰ জীৱন অতিকৈ গুৰুত্বপূৰ্ণ আৰু প্ৰসৱকালীন মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আজি নতুন দিল্লীত মন্ত্ৰীগৰাকীৰ অধ্যক্ষতাত বিশেষজ্ঞসকলৰ সৈতে পৰিয়াল পৰিকল্পনা সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। অনুষ্ঠানত শ্ৰীপেটেলে কয় যে, চৰকাৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী সুৰক্ষিত মাতৃত্ব অভিয়ান আৰু এনিমিয়ামুক্ত ভাৰত অভিয়ানৰ দৰে আঁচনিসমূহে প্ৰসৱকালীন মৃত্যুৰ হাৰ ২০১৪ চনৰ প্ৰতি লাখত ১৩০ৰ পৰা বৰ্তমান ৭০ গৰাকীলৈ নমাই অনাত সহায় কৰিছে। পৰিয়াল পৰিকল্পনাৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, পৰিয়াল পৰিকল্পনা কেৱল মহিলাগৰাকীৰেই দায়িত্ব নহয়, বৰং পুৰুষসকলেও এই ক্ষেত্ৰত সমানে দায়িত্ব পালন কৰা উচিত। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰি শ্ৰীপেটেলে কয় যে, এই লক্ষ্যত উপনীত হ'বলৈ মহিলা সৱলীকৰণ অন্যতম গুৰুত্বপূৰ্ণ কাৰক আৰু জনসংখ্যা সুস্থিৰকৰণ পদক্ষেপসমূহ বৰ্তমান মহিলা সৱলীকৰণৰ প্ৰয়োজনীয় আহিলা হৈ পৰিছে।

000000000

অহা চেপ্তেম্বৰত ৰাজ্যৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে উপ নিৰ্বাচন হোৱাৰ সম্ভাৱনা আছে। সদ্যসমাপ্ত লোকসভা নিৰ্বাচনত ধলাই, চিদলি, বঙাইগাঁও, বিহালী আৰু চামগুৰি সমষ্টিৰ বিধায়ককেইগৰাকী নিৰ্বাচিত হোৱাৰ বাবে আসনকেইখন খালী হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোয়েলে আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। বৰ্তমানৰ অসম বিধানসভা ২০২১ চন অৰ্থাৎ সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ আগেয়ে গঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত পূৰ্বৰ বিধানসভা সমষ্টিসমূহতে উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে, এই উপ নিৰ্বাচনত ২০২৩ চনৰ পৰা নতুনকৈ নিৰ্ধাৰণ হোৱা বিধানসভাৰ

সমষ্টিসমূহৰ সীমা প্ৰযোজ্য নহ'ব। সংবাদ মেলত মুখ্য নিৰ্বাচনী  বিষয়াগৰাকীয়ে কয় যে, অহা ৩০ জুলাইত খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ৩০ জুলাইৰ পৰা ১০ আগষ্টলৈ দাবী আৰু আপত্তি দাখিল কৰিব পৰা যাব। ৩ আৰু ৪ আগষ্টত বিশেষ অভিযানত দিন ধাৰ্য্য কৰা হৈছে। নিৰ্বাচন আয়োগে ১৯ আগষ্টৰ ভিতৰত দাবীসমূহ নিস্পত্তি কৰি ২০ আগষ্টত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰিব।

০০০০০০০০০

বিদেশ মন্ত্ৰ্যালয়ে বাংলাদেশত বাস কৰা ভাৰতীয় নাগৰিকসকলক ঢাকাত থকা উচ্চায়োগে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ আৰু আয়োগৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি চলিবলৈ আহ্বান জনাইছে।

নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে, চুবুৰীয়া ৰাষ্ট্ৰখনত প্ৰায় চাৰে ৮ হাজাৰ শিক্ষাৰ্থী আৰু প্ৰায় ১৫ হাজাৰ ভাৰতীয় নাগৰিকে  বাস কৰি আছে। বিদেশ মন্ত্ৰী ড০ এছ জয় শংকৰে নিজেই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু ঢাকাত থকা উচ্চায়োগে দেশখনৰ পৰিস্থিতি সন্দৰ্ভত নিয়মীয়াভাৱে অৱগত কৰি যাব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, বিদেশ মন্ত্ৰ্যালয়ে দেশখনত বাস কৰা ভাৰতীয় নাগৰিকসকলক সম্ভৱপৰ সকলো ধৰণৰ সহায় আগবঢ়াবলৈ বদ্ধপৰিকৰ। মুখপাত্ৰগৰাকীয়ে কয় যে, ভাৰতে বাংলাদেশৰ প্ৰতিবাদৰ বিষয়টোক চুবুৰীয়া ৰাষ্ট্ৰখনৰ অভ্যন্তৰীণ বিষয় বুলি গণ্য কৰে।

০০০০০০০০০

পুণে আৰক্ষীয়ে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিতৰ্কিত বিষয়া পূজা খেডকৰৰ ভাষ্য লিপিবদ্ধ কৰাৰ বাবে দ্বিতীয়খন জাননী জাৰি কৰি বিষয়াগৰাকীক ২০ জুলাইত উপস্থিত হ'বলৈ কৈছে। পূজাই পুণেৰ সমাহৰ্তা সুভাষ ডিৱাচেই তেওঁক হাৰাশাস্তি কৰা বুলি অভিযোগ উত্থাপন কৰিছিল। ইয়াৰ আগেয়ে তেওঁক ১৮ জুলাইত জাননী জাৰি কৰা হৈছিল যদিও বিষয়াগৰাকীয়ে এই নিৰ্দেশ পালন কৰা নাছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত বিষয়াগৰাকীলৈ দ্বিতীয়খন জাননী জাৰি কৰা হৈছে। পুণে আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে গোচৰটোৰ তদন্ত কৰি আছে। ইফালে, কেন্দ্ৰীয় লোকসেৱা আয়োগে অনিয়মৰ অভিযোগ সন্দৰ্ভত পূজা খেডকৰৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে ৰাসায়নিক সাৰ ব্যৱহাৰ নকৰাকৈয়ে কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পোৱা বুলি দাবী কৰিছে। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত আজি প্ৰাকৃতিক কৃষি বিজ্ঞান সম্পৰ্কীয় আঞ্চলিক আলোচনাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, কেন্দ্ৰীয় চৰকাৰে প্ৰাকৃতিক কৃষিৰ বিষয়ে সৰ্ব ভাৰতীয় সজাগতা অভিযান আৰম্ভ কৰিব। প্ৰাকৃতিক খেতি আৰম্ভ কৰাৰ বাবে আহ্বান জনাই শ্ৰীচৌহানে কয় যে, এনে কৰিলে প্ৰথম দুবছৰত উৎপাদন হ্ৰাস পাব পাৰে। সেয়েহে চৰকাৰে প্ৰাকৃতিক খেতি আৰম্ভ কৰাৰ প্ৰথম তিনি বছৰৰ বাবে ৰাজ সাহায্য প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত ক্ৰীড়া অন্যতম চালিকা শক্তিৰূপে পৰিগণিত হ'ব। আজি নতুন দিল্লীত ভাৰতৰ অলিম্পিক আৰু পেৰালিম্পিক ক্ৰীড়াবিদসকলৰ সৈতে হোৱা এটা মত-বিনিময় অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰত হৈছে প্ৰচুৰ সম্ভাৱনাৰে পূৰ্ণ, বৈচিত্ৰ্যময় জনসংখ্যাৰ দেশ। তেওঁ

লগতে কয় যে, যথোচিত সহযোগিতা আৰু সুযোগৰ দ্বাৰাহে দেশে অলিম্পিকৰ দৰে ক্ৰীড়া মহোৎসৱত নিজৰ পদকৰ সংখ্যা বঢ়াব পাৰিব আৰু চৰকাৰে এই ক্ষেত্ৰত সকলো ধৰণৰ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। অনুষ্ঠানত ড০ মন্দাভিয়াই পেৰিছ অলিম্পিকৰ বাবে ভাৰতৰ প্ৰস্তুতি, উপলব্ধি আৰু এথলিটসকলৰ তথ্যৰে সমৃদ্ধ **পাথৰে টু পেৰিছ** নামৰ পুস্তিকাখন উন্মোচন কৰে।

০০০০০০০০০

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতা আজি শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হৈছে। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ৰণগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলোৱা হ'ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত নেপালে ইউ এ ইক ছয় উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰি ইউ এ ইৰ দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১১৫ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেপালে ১৬ অভাৰ আৰু এটা বলত চাৰিটা উইকেট হেৰুৱাই ১১৮ ৰাণ কৰি বিজয়ী হয়। যোৱাবাৰৰ চেম্পিয়ন ভাৰত গ্ৰুপ এৰ এখন খেলত কিছু সময়ৰ পূৰ্বে পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। উল্লেখযোগ্য যে, প্ৰতিযোগিতাত ভাৰতক পাকিস্তান, নেপাল আৰু ইউ এ ইৰ সৈতে গ্ৰুপ 'এ'ত স্থান দিয়া হৈছে। আনহাতে আয়োজক দেশ শ্ৰীলংকা, বাংলাদেশ, থাইলেণ্ড আৰু মালয়েছিয়াক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দল দুটাৰ মাজত ২৬ জুলাইত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। আনহাতে, ফাইনেল খেলখন ২৮ জুলাইত অনুষ্ঠিত হ'ব।

০০০০০০০০০

**সমাপ্ত**